
# গোৱালপাৰা মহাবিদ্যালয়(স্ব-শাসিত)ৰ অসমীয়া বিভাগৰ অধ্যয়ন পৰিষদৰ প্ৰথমখন বৈঠক

**নয়ন বাৰ্তা, গোৱালপাৰা ঃ** গোৱালপাৰা মহাবিদ্যালয়(স্ব-শাসিত)ৰ অসমীয়া বিভাগৰ অধ্যয়ন পৰিষদৰ প্ৰথমখন বৈঠক ১৯ জুনত অনুষ্ঠিত হৈ যায়। অসমীয়া বিভাগৰ মুৰব্বী তথা



সহযোগী অধ্যাপক ডঃ জহিৰুল হকৰ সভাপতিত্বত অনুষ্ঠিত বৈঠকত মহাবিদ্যালয়ৰ অধ্যক্ষ ডঃ সুভাষ বৰ্মনে আৰম্ভণিৰ ভাষণ প্ৰদান কৰি অধ্যয়ন পৰিষদৰ সদস্য সকলক আদৰণি জনায়। বৈঠকখনত উপস্থিত থাকে গুৱাহাটী বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক ডঃ দীপামণি হালৈ মহন্ত, কটন বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক ডঃ নুৰ ইছলাম শইকীয়া, বড়োলেণ্ড বিশ্ববিদ্যালয়ৰ সহকাৰী অধ্যাপক ডঃ ৰাতুল ডেকা, বিশিষ্ট কবি প্ৰণৱ কুমাৰ বৰ্মন,হাব্ৰাঘাট মহাবিদ্যালয়ৰ সহযোগী অধ্যাপক মইনুল হক চৌধুৰী আৰু অসমীয়া বিভাগৰ অধ্যাপক -অধ্যাপিকা সকল। বৈঠকখনত অধ্যয়ন পৰিষদৰ সদস্য সকলৰ মূল্যবান পৰামৰ্শ আৰু সন্মতিৰে স্নাতক আৰু বি এডৰ পাঠ্যক্ৰমৰ অনুমোদন কৰা হয়। সদস্য সকলৰ জ্ঞান -গভীৰ পৰামৰ্শৰে অতি সফল ভাবে বৈঠকখনে পৰিসমাপ্তি লাভ কৰে। অৱশেষত অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ডঃ জহিৰুল ইছলামৰ নিৰ্দেশ মৰ্মে সহকাৰী অধ্যাপিকা ডঃ জ্ঞানশ্ৰী দত্তই সকলোকে শলাগৰ শৰাই আগবঢ়ায়।